# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2026 **Time :** 1100 Hrs.

# *Assamese 11 PM Bulletin*

০০০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি পঞ্চম দিনটো ৰাজ্যত নাঙল বিহুৰূপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি ৪ ব'হাগত এই নাঙল বিহু উপলক্ষে খেতিয়কসকলে পথাৰত হাল বোৱাৰ পূৰ্বে কৃষি সঁজুলিসমূহৰ প্ৰতি সন্মান জনাই এই উৎসৱ পালন কৰে। কৃষিজীৱি অসমীয়াৰ জীৱনত এই বিহু বিশেষ গুৰুত্ব আছে।

ইফালে ৰঙালী বিহু উপলক্ষে ৰাজ্যৰ ঠায়ে ঠায়ে অনুষ্ঠিত মঞ্চ বিহুৰ সাংস্কৃতিক কাৰ্যসূচীত কালি ভালেসংখ্যক শিল্পীয়ে বৰ্ণাঢ্য অনুষ্ঠান পৰিৱেশন কৰে। লতাশিলৰ ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কালি আয়োজন কৰা বিহু সম্ৰাজ্ঞী ২০২৬ প্ৰতিযোগিতাত গুৱাহাটীৰ সংগীতা ৰাভাই মুঠ ৬ গৰাকী প্ৰতিযোগীৰ মাজৰ পৰা বিহু সম্ৰাজ্ঞীৰ খিতাপ অৰ্জন কৰে। বিহু সন্মিলনীয়ে লগতে সংগীতা ৰাভাক নগদ ধন, ৰূপৰ মুকুট, সোণৰ মুদ্ৰাকে ধৰি বিভিন্ন উপহাৰ সামগ্ৰীও আগবঢ়ায়।

গুৱাহাটী বিহু সন্মিলনীয়ে আয়োজন কৰা এই প্ৰতিযোগিতাত লখিমপুৰৰ বৰষা বুঢ়াগোহাঁইয়ে বিহুৰাণী আৰু গোলাঘাটৰ কৃষ্ণ হাতীবৰুৱাই বিহু কুঁৱৰীৰ খিতাপ লাভ কৰে। লাচিত গগৈয়ে শ্ৰেষ্ঠ ঢুলীয়া আৰু গোবিন চন্দ্ৰ গগৈয়ে শ্ৰেষ্ঠ পেঁপা বাদকৰ খিতাপ লাভ কৰে।

বাক্সা জিলাৰ জালাহ দংপাৰ যুৱ সংঘৰ উদ্যোগত আয়োজন কৰা ৰঙালী বিহু উদযাপনৰ কালি সামৰণি পৰে। এই সন্দৰ্ভত জালাহ দংপাৰ যুৱ সংঘৰ সম্পাদক দ্বীপজ্যোতি দাসে আমাৰ সংবাদদাতাক এইদৰে জনায়—

**ৰাইট (দ্বীপজ্যোতি দাস)**

বামুন্দীৰ তৰুণ সংঘ আৰু পুথিভঁৰালৰ সৌজন্যত অনুষ্ঠিত বামুন্দী বিহু সন্মিলনৰ শতবৰ্ষৰ ৰঙালী বিহু উদযাপনৰ কালি সামৰণি পৰে। সামৰণিৰ অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি সকলোৰে মিলি জাতীয় জীৱনক আগুৱাই লৈ যাবলৈ আহ্বান জনায়।

০০০০০০০

শ্ৰীশ্ৰী দামোদৰদেৱৰ আজি ৪২৮ সংখ্যক পবিত্ৰ তিৰোভাৱ তিথি ৰাজ্যজুৰি পালন কৰা হৈছে। পাটবাউসী সত্ৰৰ প্ৰতিষ্ঠাপক তথা একশৰণ নামধৰ্মৰ প্ৰচাৰক শ্ৰীশ্ৰী দামোদৰদেৱৰ তিৰোভাৱ তিথি উদ্দেশ্যে আজি পুৱাৰে পৰা দামোদৰদেৱৰ শিষ্যসকলে কৰভাৰ লৈ সত্ৰখনত ভিৰ কৰিছে।

শ্ৰীশ্ৰী দামোদৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে গোৱালপাৰাৰ ভালুকডুবিত থকা দামোদৰ সেৱাশ্ৰমত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইফালে কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া চৌধুৰীপাৰাৰ

শ্ৰীশ্ৰী পোৰাভিঠা সত্ৰতো আজি শ্ৰীশ্ৰী দামোদৰদেৰৰ তিথি পালন কৰা হৈছে। তিথিৰ লগত সংগতি ৰাখি কালি সন্ধিয়া নাম-প্ৰসংগৰে মণিকূটৰ পৰা বিগ্ৰহ সভাঘৰলৈ অনাৰ পাছত নিশাৰ ভাগৱত পাঠ অনুষ্ঠিত হয়।

০০০০০০০

সমগ্ৰ বিশ্বতে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যেৰে পালন কৰা এই দিৱসৰ চলিত বৰ্ষৰ মূল বিষয় হৈছে- **সংঘাত আৰু দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত ঐতিহ্যসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত জৰুৰীকালীন সঁহাৰি**।

০০০০০০০

চলিত বৰ্ষৰ হজযাত্ৰা আজিৰে পৰা আৰম্ভ হৈছে। উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিয়া অনুযায়ী অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ মুঠ দুহেজাৰ ৫৬৯ গৰাকী যাত্ৰীয়ে এইবাৰ হজযাত্ৰাৰ কাৰণে সাজু হৈছে। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা হজযাত্ৰী আছে। উত্তৰ-পূব হজযাত্ৰী অভ্যৰ্থনা সমিতিৰ সভাপতি নেকিবুৰ জামানে জানিবলৈ দিয়া অনুযায়ী  আজিৰে পৰা ২১ এপ্ৰিললৈ পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব। হজযাত্ৰীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকলে গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰৰ পৰা হজ যাত্ৰা কৰিব। হজযাত্ৰীসকলৰ মংগলৰ বাবে কালি সন্ধিয়া হাজি মুছাফিৰখানাত সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হয় বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **বিহুনামত প্ৰকৃতি আৰু অসমীয়া সমাজৰ স্থান** শীৰ্ষক এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অসমৰ প্ৰথমগৰাকী বিহু সম্ৰাজ্ঞী তথা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ ৰূপা ডেকা পাটৰৰ সৈতে হোৱা এই সাক্ষাৎকাৰ গ্ৰহণ কৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত হ'ব। আনহাতে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**